# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
::::::::::::::::::::::::::::::::

আগৰতলাত কাইলৈ উত্তৰ-পূৰ পৰিষদৰ ৭২ সংখ্যক বাৰ্ষিক বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু জ্যেষ্ঠ মন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব। বৈঠকৰ পূৰ্বে আজি কাৰিকৰী সন্মিলনত অংশগ্ৰহণ কৰি আগৰতলাত উত্তৰ-পূৰ উন্নয়ন মন্ত্ৰী ড° সুকান্ত মজুমদাৰে কয়, যে দেশৰ উত্তৰ পূৰ্বাঞ্চল কেৱল ভৌগলিকভাৱেই গুৰুত্বপূৰ্ণ নহয়, এই অঞ্চলটো দেশৰ বৈচিত্ৰ, সংস্কৃতি আৰু কৌশলগত কাৰণতো অতিকে গুৰুত্বপূৰ্ণ। চীন, ম্যানমাৰ, বাংলাদেশ, ভূটান আৰু নেপালক সংযোগ কৰা এই অঞ্চলটোৱে ভাৰতৰ সৈতে এই দেশসমূহৰ যোগাযোগ, বাণিজ্য, আৰু কূটনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ যোগসূত্ৰৰূপে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা কেইটামান বছৰত সমগ্ৰ অঞ্চলটো বিশেষকৈ ৰেল, পথ আৰু বিমান যোগাযোগৰ ক্ষেত্ৰত যথেষ্ট উন্নত হৈছে বুলি ড০ মজুমদাৰে উল্লেখ কৰে।

০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি চামগুৰি সমষ্টিৰ আমবাগান আৰু কাৰৈমাৰীত ৰাজহুৱা অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই শেহতীয়া বিধানসভা উপ নিৰ্বাচনত চামগুৰিৰ ৰাইজে বিজেপি নেতৃত্বাধীন মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকীৰ প্ৰতি আগবঢ়োৱা মৰম চেনেহৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। নিৰ্বাচনৰ সময়ত ৰাইজক দিয়া প্ৰতিশ্ৰুতি মৰ্মে আজি তেওঁ চামগুৰিত উপস্থিত হয় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, চামগুৰিৰ নিৰ্বাচনে ৰাজ্যৰ ৰাজনীতিলৈ এটা নতুন পৰিৱৰ্তন অনাৰ লগতে ২০২৬ চনৰ নিৰ্বাচনত চামগুৰিত বিজেপি নেতৃত্বাধীন মিত্ৰজোটৰ প্ৰাৰ্থীৰ বিজয় সুনিশ্চিত হ'ল বুলি উল্লেখ কৰে। সমষ্টিটোৰ সামগ্ৰিক উন্নয়ন আৰু বিকাশৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। তেওঁ আমবাগানত ৩০ খন বিচনাযুক্ত এখন আদৰ্শ চিকিৎসালয় স্থাপন, ৫০ লাখ টকা ব্যয় সাপেক্ষ আমবাগান বজাৰৰ পূজাবাৰীৰ নিৰ্মাণ, লাওখোৱা চিকিৎসালয়ক আদৰ্শ চিকিৎসালয়লৈ উন্নীতকৰণ তথা আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ উন্নয়নৰ বাবে ২ কোটি টকাৰ অনুদান দিয়ে। ইপিনে লাওখোৱা উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ লগতে ভৱন নিৰ্মাণৰ বাবে ৮ কোটি টকা আগবঢ়ায়। মুখ্যমন্ত্ৰীৰ বিশেষ কোটাৰ পৰা চামগুৰি সমষ্টিৰ বাবে নতুনকৈ আঢ়ৈ হাজাৰ অৰুণোদয় হিতাধিকাৰী সংযোজন কৰা হব বুলিও তেওঁ ঘোষণা কৰে।

০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অহা ২৯ ডিচেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগা টেট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিছে। একাংশ প্ৰাৰ্থীয়ে দাখিল

কৰা এখন লেখ আবেদনৰ শুনানি লৈ আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে এই নির্দেশ প্রদান কৰে। শিক্ষা বিভাগে অহা ২৯ ডিচেম্বৰত টেট তথা নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ ঘোষণা কৰিছিল যদিও ৫ ডিচেম্বৰতহে গণিত বিষয়টো নতুনকৈ অন্তৰ্ভুক্ত কৰে। ইয়াকে লৈ একাংশ প্ৰাৰ্থী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। প্রার্থীসকলৰ এই আবেদনৰ ভিত্তিত ন্যায়ালয়ে পৰীক্ষাৰ দিন কমেও ১৫ দিন পিছুৱাই নিবলৈ শিক্ষা বিভাগক নির্দেশ দিয়ে।

০০০

ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত এম এছ্ মণিবন্ননে আজি শ্ৰীভূমি জিলাৰ ৪ টা বিধানসভা সমষ্টিৰ বৰ্তমানৰ ভোটাৰ তালিকাৰ বিশেষ চমু পুনৰীক্ষণ কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লয়। শ্ৰীভূমি জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত তেওঁ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দীবেদী, প্ৰশাসনিক বিষয়া আৰু অন্যান্য ৰাজনৈতিক দলৰ বিষয়ববীয়াৰ সৈতে এই সম্পৰ্কে আলোচনা কৰে। বৈঠকত নিৰ্বাচনী বিষয়াগৰাকীয়ে শ্ৰীভূমি জিলাৰ মুঠ ভোটকেন্দ্ৰৰ সংখ্যা এহেজাৰ ৯৯ টা বুলি অৱগত কৰে। কালিলৈকে জিলাখনৰ মুঠ ভোটাৰৰ সংখ্যা ৯ লাখ ৫২ হাজাৰ ৩২ জন আৰু ইয়াৰে ৪ লাখ ৮২ হাজাৰ ৬৫৬ জন পুৰুষ ভোটাৰৰ বিপৰীতে ৪ লাখ ৬৯ হাজাৰ ৩৭৬ গৰাকী মহিলা ভোটাৰ। ইপিনে, ১০ হাজাৰ ২২৭ জন দিব্যাংগ তথা ৭ হাজাৰ ৯৪৬ গৰাকী ৮৫ বছৰৰ উৰ্ধৰ লোক আছে বুলিও তেওঁ বৈঠকত অৱগত কৰে।

০০০

উত্তৰ লখিমপুৰৰ কাকৈ ৰাজগগড় বঙালী গাঁৱত আজি  উত্তৰ লখিমপুৰ প্ৰেছ্ ক্লাৱে গাঁৱলৈ যাও ব'লক শীৰ্ষক এটি অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত গাওঁৰ ৰাইজে বাট-পথ, স্বাস্থ্য, খোৱাপানী, অনাময় সমস্যাকে ধৰি হাতী মানুহৰ সংঘাত আদি বিভিন্ন সমস্যাসমূহৰ বিষয়ে সংবাদ মাধ্যমৰ জৰিয়তে প্ৰশাসনৰ দৃষ্টিগোচৰ কৰে।

০০০

গুৱাহাটীৰ শিল্পগ্ৰাম চৌহদত যোৱা ৮ ৰ পৰা ১০ নৱেম্বৰলৈ  ৩ দিনীয়াকৈ অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ দিহা নাম প্ৰতিযোগিতাৰ কালি চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত মুঠ ৯ টা দলে অংশগ্ৰহণ কৰে। গুৱাহাটীৰ গণেশগুৰিৰ সুৰুযমুখী  দিহানাম দলে সৰ্বশ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰাৰ লগতে দৰং জিলাৰ মঙলদৈৰ পুবেৰুণ দিহা নাম দলে দ্বিতীয় শ্ৰেষ্ঠ খিতাপ অৰ্জন কৰে। কামৰূপৰ বাইহাটা সমন্বয় সাংস্কৃতিক গোষ্ঠী দলে তৃতীয় শ্ৰেষ্ঠ খিতাপ লাভ কৰে।

০০০

লখিমপুৰৰ বগলিজান - গুবৰিশালী গাওঁৰ প্ৰাক্তন গাওঁবুঢ়া তথা বয়োবৃদ্ধ নাগৰিক সূৰ্য্য ফুকনৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। বুদ্ধেশ্বৰ গাওঁবুঢ়া বুলি পৰিচিত ফুকনৰ মৃত্যুৰ সময়ত বয়স আছিল ৯১ বছৰ। শ্ৰীশ্ৰীআউনীআটি সত্ৰই মেধী বাব প্ৰদান কৰা বুদ্ধেশ্বৰ গাওঁবুঢ়া অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত আছিল।

০০০

ঃঃ সমাপ্ত ঃঃ